**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headliens***
***----------------------***

১। কাইলৈ অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াৰ গুৰুত্বপূৰ্ণ বৈঠক।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি এদিনীয়া কাৰ্যসূচীৰে তেলেংগানা ভ্ৰমণ।

৩। সমাগত উৎসৱৰ বতৰলৈ লক্ষ্য ৰাখি পহিলা অক্টোবৰৰ পৰা ৩০ নৱেম্বৰলৈ ছহেজাৰতকৈ অধিক বিশেষ ৰে'ল চলাবলৈ ৰে'ল বিভাগৰ সিদ্ধান্ত। **আৰু**

৪। ভাৰত-বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয়খন টেষ্টত আজি বাংলাদেশৰ প্ৰথম ইনিংছৰ ১০৭ ৰানৰ পৰা দ্বিতীয় দিনৰ খেল আৰম্ভ।

০০০০০০

কাইলৈ অনুষ্ঠিত হ'বলগীয়া ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্গৰ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ দ্বিতীয় পৰ্যায়ৰ প্ৰস্তুতি সন্দৰ্ভত যোৰহাটৰ আৰৰ্ত ভৱনত কালি এলানি বৈঠক অনুষ্ঠিত হয়। ভিডিঅ' কনফাৰেন্সিঙৰ যোগেদি ৰাজ্যজুৰি অনুষ্ঠিত হোৱা প্ৰথমখন বৈঠকত অসমৰ মুখ্য সচিবে সমাগত পৰীক্ষাৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে সমগ্ৰ যোৰহাট জিলাৰ পৰীক্ষাৰ কেন্দ্ৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতেও এখন বৈঠকত মিলিত হয়। সভাত যোৰহাট জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলো উপস্থিত থাকে।

উল্লেখ্য যে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তিৰ বাছনি পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীৰ ৫ হাজাৰ ২৯৫ পদৰ বাবে হ'বলগীয়া তৃতীয় বৰ্গৰ বাছনি পৰীক্ষাত ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালক পদৰ বাবে ২ লাখ ৮ হাজাৰ ৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি এদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানালৈ যাব। ভ্ৰমণৰ অংশহিচাপে ৰাষ্ট্ৰপতিয়ে হায়দৰাবাদৰ নালচাৰ আইন বিশ্ববিদ্যালয়ৰ ২১ সংখ্যক দীক্ষান্ত সমাৰোহত ভাগ ল'ব। শ্ৰীমতী মুৰ্মুৰে ছিকন্দ্ৰাবাদত থকা ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ উদ্বোধন কৰিব। ৮ দিনীয়াকৈ হ'বলগীয়া এই কলা মহোৎসৱত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ কলা সংস্কৃতি

প্ৰদৰ্শন কৰা হ'ব। আটাইকেইখন ৰাজ্যৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী আৰু ৰাজ্যপালসকলে এই কলা মহোৎসৱত ভাগ ল'ব।

০০০০০০

ভাৰতীয় ৰে'ল বিভাগে দুৰ্গা পূজা, দেৱালী আৰু ছট পূজাৰ বাবে অহা পহিলা অক্টোবৰৰ পৰা ৩০ নৱেম্বৰলৈ ছহেজাৰতকৈ অধিক বিশেষ ৰে'ল চলাচল কৰাব। প্ৰতি বছৰে ভাৰতীয় ৰে'ল বিভাগে লাখ লাখ যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উৎসৱৰ সময়ছোৱাত বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰি আহিছে। যোৱা বছৰৰ তুলনাত এইবছৰ বিশেষ ৰে'লৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। যোৱা বছৰ এই সময়ছোৱাত ৪ হাজাৰ ৪২৯ খন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছিল।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে সমাজ কল্যাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতক বিকাশৰ পথত অগ্ৰসৰ কৰিবৰ বাবে অন্ত্যোদয়ৰ নীতিৰ দ্বাৰা পৰিচালিত হৈ চৰকাৰে দৰিদ্ৰ, প্ৰান্তীয় আৰু পিছপৰি থকাসকলক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছে যে, দেশৰ জনতাক দৰিদ্ৰতাৰ বিৰুদ্ধে যুজত সক্ৰিয় অংশগ্ৰহণকাৰী হ'বলৈ শক্তিশালী কৰাত চৰকাৰে মনোনিৱেশ কৰিছে। তাৰ বাবে ১২ টা মূল সামাজিক খণ্ডৰ সূচকত ব্যাপক অগ্ৰগতি লাভ কৰিবলৈ ৫০০ টা অভিলাসী খণ্ড আৰু ১১২ খন অভিলাসী জিলাত সম্পূৰ্ণতা অভিযান আৰম্ভ হৈছে। নিচামুক্ত ভাৰত গঢ়াৰ বাবে মানস হেল্পলাইন আৰম্ভ কৰা হৈছে। ধঁপাত সেৱনৰ বিপদৰ বিষয়ে সজাগতাৰ উদ্দেশ্যে ধঁপাত মুক্ত শিক্ষানুষ্ঠান অভিযানো আৰম্ভ হৈছে।

চৰকাৰে সামাজিক, আৰ্থিক আৰু ন্যায়িক সবলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে ঔপনিৱেশিক আইনৰ ঠাইত ৩ খন নতুন আইন প্ৰৱৰ্তন কৰি দ্ৰুত বিচাৰ আৰু ন্যায় সুনিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰোপৰি চৰকাৰে একীকৃত পেন্সন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীৰ সুবিধাৰ্থে ৫০ শতাংশ পেন্সন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ উপৰি অৱসৰপ্ৰাপ্ত সুৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে চৰকাৰে এটা পদ, এটা পেন্সন আঁচনিৰো সংশোধন কৰিছে। ইপিনে, এই ১০০টা দিনৰ ভিতৰত ১৫ হাজাৰ যুৱক-যুৱতীক বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি দিয়া হৈছে।

০০০০০০

আয়ুষ্মান ভাৰত ডিজিটেল মিছনে ৩ বছৰ সম্পূৰ্ণ কৰিলে। এই মিছনৰ অধীনত বৰ্তমানলৈকে ৬৭ কোটিৰো অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট সৃষ্টি কৰা হৈছে। ইয়াৰোপৰি ৪২ কোটিৰো অধিক স্বাস্থ্য অভিলেখ আভাৰ সৈতে জড়িত হৈ পৰিছে। আনহাতে, আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত ১৭ হাজাৰৰো অধিক ব্যক্তিগত সুবিধাকে ধৰি ১ লাখ ৩০ হাজাৰৰো অধিক লোকে সুবিধা লাভ কৰিছে। ৰাষ্ট্ৰীয় সেৱাৰ অধীনত ইতিমধ্যে ৩ লাখ ৩০ হাজাৰ স্বাস্থ্য সুবিধা আৰু ৪ লাখ ৭০ হাজাৰ স্বাস্থ্যকৰ্মী পঞ্জীয়নভুক্ত হৈছে।

০০০০০০

যোৱা ১৭ ছেপ্তেম্বৰৰ পৰা দেশজুৰি চলি থকা **স্বচ্ছতা হি সেৱা ২০২৪** অভিযানৰ অংশস্বৰূপে গুৱাহাটী পৌৰ নিগমেও বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা বুলি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিছে।

তেওঁ লগতে জনায় যে ১৭ ছেপ্টেম্বৰত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘলৰ উপস্থিতিত গীতামন্দিৰত গছপুলি ৰোপণ কাৰ্যসূচীৰে এই অভিযানৰ শুভাৰম্ভ কৰা হয় আৰু এতিয়ালৈ আত্মসহায়ক গোটৰ জৰিয়তে সাংস্কৃতিক অনুষ্ঠানকে ধৰি গ্ৰীণ হাটৰ আয়োজন, ৰাজহুৱা শৌচাগাৰ পৰিষ্কাৰ, চাফাই কৰ্মচাৰীসকলৰ বাবে চিকিৎসা শিবিৰ আয়োজনকে ধৰি বিভিন্ন কাৰ্যসূচী এতিয়ালৈ ৰূপায়ণ কৰা হৈছে। অহা ২ অক্টোবৰলৈ অব্যাহত থাকিবলগীয়া স্বচ্ছতাই সেৱা অভিযান সন্দৰ্ভত মেয়ৰগৰাকীয়ে এনেদৰে কয় -

**-ভইচ কাষ্ট-**

০০০০০০

আজি বিশ্ব জলাতংক ৰোগ দিৱস। মাৰাত্মক ৰোগবিধ প্ৰতিৰোধ তথা ২০৩০ চনৰ ভিতৰত নিৰ্মূল কৰিবলৈ সকলোকে এই ক্ষেত্ৰত সজাগ হ'বলৈ ৰাষ্ট্ৰ স্বাস্থ্য অভিযান অসমে আহ্বান জনাইছে। লগতে জন্তুৱে কামুৰিলে চাবোন আৰু পানীৰে ঘাডোখৰ পৰিষ্কাৰ কৰি ধোৱা, এণ্টিচেপ্টিক লগোৱা, পোহনীয়া কুকুৰক জলাতংকৰ প্ৰতিষেধক দিয়াৰ লগতে জন্তুৱে চেলেকা বা আঁচোৰা উপেক্ষা নকৰিবলৈ, ঘা বান্ধি নাৰাখিবলৈ তথা আনুষংগিক সতৰ্কীকৰণসমূহ মানি চলিবলৈকো আহ্বান জনোৱা হৈছে। তদুপৰি স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শৰ বাবে ১০৪ আৰু এম্বুলেন্স সেৱাৰ বাবে ১০৮ ডায়েল কৰিবলৈকো এক বিজ্ঞপ্তিযোগে কোৱা হৈছে।

০০০০০০

সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে সমগ্ৰ ৰাষ্ট্ৰজুৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শিশু আৰু মহিলাৰ পৰিপুষ্টি সন্দৰ্ভত সজাগতা বৃদ্ধিৰ বাবে ৰাজ্যজুৰি অব্যাহত ৰথযাত্ৰা আজি তিনিচুকীয়া জিলাত প্ৰৱেশ কৰিব। এই ৰথযাত্ৰাৰ জৰিয়তে জিলাখনৰ বিছাকুপি চাহ বাগিচা, দিয়ামূলী চাহ বাগিচা আৰু দৈ মুখীয়া চাহ বাগিচাত সজাগতা অভিযান চলোৱা হ'ব। আনহাতে তিনিচুকীয়া জিলাৰ মুঠ ১০ টা স্থান এই ৰথযাত্ৰাই পৰিভ্ৰমণৰ কৰিব। এই সন্দৰ্ভত আমাক অধিক তথ্য জনাইছে তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণে—

***ঃঃ ভইচ কাষ্ট ঃঃ***

০০০০০০

তিনিচুকীয়া জিলাৰ ৰাথৈৰ পূৰ্বাঞ্চল ৰাজহুৱা খেলপথাৰত কালি বিজ্ঞানসন্মত পশুপালন সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ড, তিনিচুকীয়া জিলা উন্নয়ন বিষয়াৰ উদ্যোগত অনুষ্ঠিত সভাখনত গ্ৰাম্যাঞ্চলত ছাগলী, হাঁহ-কুকুৰা আদিৰ বিজ্ঞানসন্মত পালনৰ ক্ষেত্ৰত পশুপালকসকল কিদৰে স্বাৱলম্বী হ'ব পাৰে এই বিষয়ে পৰামৰ্শ আগবঢ়ায়। সভাখনত নাবাৰ্ডৰ উপ-আঞ্চলিক সাধাৰণ মহাপ্ৰবন্ধক ইভান টি মানচুং, নাবাৰ্ডৰ তিনিচুকীয়া জিলা উন্নয়ন বিষয়া, খণ্ড উন্নয়ন পশুপালন বিষয়া আদিৰ লগতে গ্ৰামীন স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান, ষ্টেট বেংক অব ইণ্ডিয়াৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

মিছিং বানে কেবাঙৰ উদ্যোগত আজি জোনাইত মিছিং জাতীয় সংগঠনসমূহৰ এখন সাধাৰণ সভা অনুষ্ঠিত হ'ব। **গোগামুখৰ টাকাম মিছিং পৰিন কেবাঙৰ** কাৰ্যালয়ত কালি অনুষ্ঠিত মিছিং বানে কেবাঙৰ এখন সংবাদমেলত এই কথা জানিবলৈ দিয়ে। সংগঠনটোৰ সভাপতি পৰমানন্দ চায়েঙ্গীয়া আৰু সাধাৰণ সম্পাদক ইন্দ্ৰ কুমাৰ

চুংক্ৰাঙে। মুঠ ছটা মিছিং জাতীয় সংগঠনে অংশগ্ৰহণ কৰিবলগীয়া সভাখনত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, জোনাইৰ বিধায়ক ভূপেন পেগু আদি উপস্থিত থাকিব। সংবাদমেলখনত লগতে প্ৰকাশ কৰা মতে এই সভাখনত লিবাৰেল ডেম'ক্ৰেচি অব মিছিং নামৰ উগ্ৰবাদী সংগঠনটোৰ তিনি শতাধিক সদস্যই আত্মসমৰ্পণ কৰিব।

০০০০০০

বিশ্ব হৃদ দিৱসৰ প্ৰাকক্ষণত আজি শিৱসাগৰ নগৰত চ্যুকাফা হাস্পতালৰ উদ্যোগত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ অংশস্বৰূপে পুৱাতে জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখৰ পৰা উলিওৱা ৰাকাথনত শতাধিক লোকে অংশগ্ৰহণ কৰে। লগতে এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখতে আজি বিনামূলীয়া স্বাস্থ্য শিবিৰো আয়োজন কৰা হয়। তদুপৰি নিয়মিত শাৰীৰক ব্যায়াম, স্বাস্থ্যকৰ আহাৰ গ্ৰহণ, পৰ্যাপ্ত টোপনি, মানসিক চাপ নিয়ন্ত্ৰণ আদিৰ জৰিয়তে হৃদ ৰোগৰ পৰা সুৰক্ষিত হৈ থাকিবলৈ এই কাৰ্যসূচীত আহ্বান জনোৱা হয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **স্বচ্ছতা হি সেৱা** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যিক পঞ্চায়তি ৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক সুৰজিৎ বৰগোঁহাই আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ ভাস্কৰ ঠাকুৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰি মানস প্ৰতীম শৰ্মাই।

০০০০০০

কৰিমগঞ্জ জিলাৰ মালুৱা অঞ্চলত আৰক্ষীয়ে কালি নিশা অভিযান চলাই বহু পৰিমাণৰ গাঞ্জা জব্দ কৰে। বদৰপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত যোৱা এটি দলে অঞ্চলটোত অভিযনা চলাই এখন বাহনৰ পৰা এক কেজি গাঞ্জাসহ দুজন সৰবৰাহকাৰীক আটক কৰে। ধৃত লোক দুজন হৈছে কৰিমগঞ্জ জিলাৰ পূৰ্বদত্তপুৰ গাঁৱৰ মিতালী ৰবিদাস আৰু নাজিমুদ্দিন। আৰক্ষীয়ে ইতিমধ্যে এটা গোচৰ ৰুজু কৰি সৰবৰাহকাৰী দুজনক জেৰা অব্যাহত ৰাখিছে।

০০০০০০

**ভাৰত-বাংলাদেশৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত বাংলাদেশে ৩টা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১০৭ ৰাণৰ পৰা আজিৰ দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। বৰষুণৰ বাবে নিৰ্ধাৰিত সময়ৰ পূৰ্বে কালি খেল সামৰাৰ পৰত মমিনুল হকে ৪০ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। আকাশ দীপে দুটা উইকেট দখল কৰাৰ বিপৰীতে ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰিছে।**

**ইয়াৰ পূৰ্বে বৰষুণ তথা সেমেকা আউটফিল্ডৰ বাবে পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে টছত জয়লাভ কৰি আলহী দলটোক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়।**

**উল্লেখযোগ্য যে, চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰতে বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে শৃংখলাত ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে।**

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ

ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে আজি মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত টাইৱানৰ শ্বে পে চান্দ আৰু হুং এ তুজুৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ ১০ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। তৃতীয় বাছনিৰ ভাৰতীয় যুটীটোৱে টাইৱানৰ শু য়িন হুই আৰু বু লু য়ুক ২১-১২, ২১-১৭ত গেমত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০

মাজুলী-যোৰহাট সংযোগী দলং সন্দৰ্ভত প্ৰকাশিত বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। **২৫ ডিচেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে হস্তক্ষেপ বিচাৰি গাডকাৰীলৈ পত্ৰ মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে দৈনিক অসম, দৈনিক জনমভূমি, আমাৰ অসম, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল আদি কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দ্বিতীয় পৰ্যায়ৰ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সন্দৰ্ভত অসমীয়া খবৰ কাকতে **নিশ্চিদ্ৰ নিৰাপত্তাৰ মাজত কাইলৈ পৰীক্ষা, মুখ্যমন্ত্ৰীৰ ঘোষণা ঃ যিকোনো অনিময়ৰ বিৰুদ্ধে শূন্য সহনশীলতা অৱলম্বন, এডি আৰ ই ২.০ পদ ৫ হাজাৰ ২৯৫, প্ৰাৰ্থী ৭ দশমিক ৩৮ লাখ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ব বিদ্যালয়ৰ ছাত্ৰ একতা সভা গঠনৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অগ্ৰদূত কাকতে **এবিভিপি-ছাত্ৰ পৰিষদৰ দখলত গুৱাহাটী বিশ্ববিদ্যালয় একতা সভা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে **দেশৰ শ্ৰেষ্ঠ পৰ্যটন গাঁও শুৱালকুছি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে BEST TOURISM VILLAGES CONTEST : SUALKUCHI AMONG 36 WINNERS শিৰোনামেৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত